

समग्रा शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দশম শ্ৰেণীৰ বাবে

ভূগোল

পাঠ - ২

পৰিৱেশ আৰু পৰিৱেশৰ সমস্যা

অংশ – ৫ (প্ৰশ্ন-উত্তৰ)

শ্ৰাৱণী দেৱী

১৪। পৰিৱেশৰ প্ৰধান সমস্যাসমূহ উল্লেখ কৰা।



समग्रा शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- পৰিৱেশৰ প্ৰধান সমস্যাসমূহ হল:

(i) মাটি , পানী আৰু বায়ু প্ৰদূষণ।

(ii) মৰুকৰণ।

(iii) ভূমিস্খলন আৰু ভূমিৰ অৱক্ষয়।

(iv) গোলকীয় উত্তাপ বৃদ্ধি।

(v) কৃত্ৰিম বানপানী।

(vi) সাগৰপৃষ্ঠৰ উচ্চতা বৃদ্ধি আদি।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১৫। প্রদূষণৰ অর্থ লিখা।



সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- কোনো অনিষ্টকাৰী পদাৰ্থ বা দ্ৰব্যৰ দ্বাৰা পৰিৱেশ বিনষ্ট হোৱা প্ৰক্ৰিয়াকে প্ৰদূষণ বুলি কোৱা হয়। পৰিৱেশত প্ৰদুষকৰ সংযোজনৰ ফলত প্ৰদূষণৰ সৃষ্টি হয়। ধূলি, ধোৱা, ছাঁই, দুৰ্গন্ধ, সীহ, ছালফাৰ ডাই – অক্সাইড , কাৰ্বন মন'অক্সাইড আদি হৈছে পৰিৱেশৰ প্ৰধান প্ৰদূষক আৰু পৰিৱেশৰ উপাদান সমূহৰ প্ৰদূষণ জীৱ কূলৰ বাবে হানিকাৰক।

১৬। পানী প্ৰদূষণ কি আৰু কেনেকৈ হয় লিখা।



সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- পানীত দূষিত পদাৰ্থ যেনে ৰাসায়নিক সাৰ, পদাৰ্থকণা, বিকিৰণ, অণুজীৱ আদিৰ দৰে হানিকাৰক দ্ৰব্যসমূহ পানীৰ লগত মিহলি হৈ পানীৰ স্বাভাৱিক ধৰ্মৰ বিঘ্নিত ঘটোৱা প্ৰক্ৰিয়াটোকে পানী প্ৰদূষণ বুলি কোৱা হয়। সাধাৰণতে পানীৰ উৎসৰ ওচৰত জনবসতি, উদ্যোগ, কৃষি – পথাৰ আদি থাকিলে তাৰ পৰা নিৰ্গত আৱৰ্জনা বা অপদ্ৰব্যসমূহ পানীৰ সৈতে মিহলি হ'লে পানীৰ প্ৰদূষণ ঘটে।

১৭। মাটি প্রদূষণৰ বিষয়ে এটি চমু টোকা লিখা।



সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- মাটি প্রধানকৈ মানৱ কার্যকলাপৰ বাবেই প্রদূষিত হয়। সাধাৰণতে মাটিৰ সৈতে যেতিয়া কোনো ৰাসায়নিক পদার্থ, বিষাক্ত ধাতু, ঔদ্যোগিক আৱর্জনা, তেজস্ক্রিয় পদার্থ, নগৰীয়া আৱর্জনা, এচিড বৰষুণ আদি মাটিৰ সংস্পর্শলৈ আহি বা মিহলি হৈ মাটিৰ স্বাভাৱিক গুণাগুণ নষ্ট কৰাৰ উপৰি উর্বৰতা শক্তি নোহোৱা হয়। ইয়াকে মাটি প্রদূষণ বুলি কোৱা হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১৮। বায়ু কেনেকৈ প্রদূষিত হয় লিখা।



উত্তৰঃ- বৰ্তমান বায়ু প্ৰদূষণ এটা গুৰুতৰ পাৰিপাৰ্শ্বিক সমস্যাত পৰিণত হৈছে। বায়ুমণ্ডল বিশেষকৈ নাইট্ৰজেন (৭৮.০৮ শতাংশ) , অক্সিজেন (২০.৯৪ শতাংশ) , আৰ্গন (০.৯৩ শতাংশ) আৰু কাৰ্বন ডাই – অক্সাইড (০.০৩৫ শতাংশ) আদিৰ দৰে গেছসমূহৰ দ্বাৰা গঠিত। এই গেছসমূহে এক নিৰ্দিষ্ট অনুপাত ৰক্ষা কৰি বায়ুমণ্ডলীয় উষ্ণতাক ভাৰসাম্য অৱস্থাত ৰাখে। কিন্তু যেতিয়া এই গেছসমূহৰ আয়তন বৃদ্ধি হয় বা যদি কোনো কঠিন , তৰল অথবা গেছীয় পদাৰ্থ

বায়ুমণ্ডলৰ সৈতে সংযোজিত হয় তেতিয়া বায়ুমণ্ডলীয় ভাৰসাম্যতা বিনষ্ট হয় আৰু ইয়াৰ ফলত বায়ু প্ৰদূষিত হয়। সাধাৰণতে বায়ুমণ্ডল দুষিত হোৱাৰ কাৰণ প্ৰাকৃতিক বা মানব-সৃষ্ট বুলি কোৱা হয় যদিও বৰ্তমান সময়ছোৱাত বায়ুমণ্ডল আটাইতকৈ প্ৰদূষিত হয় কেৱল মানুহৰ কাৰ্যাৱলীৰ বাবেহে।

বায়ু প্রদূষণৰ কাৰণসমূহ তলত উল্লেখ হ'ল –

১. আগ্নেয়গিৰি উদগিৰণ

২. এছিড বৰষুণ

৩. বনজুই

৪. শিল্পউদ্যোগৰ প্রসাৰ , নগৰীকৰণ, যান-বাহনৰ বর্ধিত ব্যৱহাৰ, আণৱিক বিস্ফোৰণ ।

১৯। মৰুভূমি কাক বোলে? মৰুকৰণৰ সংজ্ঞা দিয়া।



समग्रा शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- কম পৰিমাণে বৰষুণ হোৱা আৰু অধিক মাত্ৰাত বাষ্পীভৱন হোৱা পৃথিৱীৰ যিবিলাক অঞ্চলত উদ্ভিদ কম তেনে অঞ্চলসমূহকে মৰুভূমি বুলি জনা যায়। পৃথিৱীৰ ভূভাগৰ প্ৰায় ২০ শতাংশ মাটিকালি মৰুভূমি অঞ্চলসমূহে আগুৰি আছে।

মৰুভূমিৰ আশে – পাশে থকা এলেকা বোৰলৈ মৰুসদৃশ অৱস্থাৰ সম্প্ৰসাৰণ ঘটাকে মৰুকৰণ হিচাপ সংজ্ঞাৱদ্ধ কৰা হয়।

১৯৭৭ চনত ৰাষ্ট্ৰসংঘৰ দ্বাৰা নাইৰোবিত অনুষ্ঠিত এখন সম্মিলনত আগবঢ়োৱা মৰুকৰণৰ সংজ্ঞাটো এনেধৰণৰ " মৰুকৰণ হৈছে এনে এটা প্ৰক্ৰিয়া যিয়ে ভূমিৰ জৈৱিক সম্ভাৱনা বা ক্ষমতা বিনষ্ট কৰি অৱশেষত এক মৰুসদৃশ অৱস্থাৰ সৃষ্টি কৰে।"

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২০। মৰুকৰণৰ কাৰণ দৰ্শোৱা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- (i) প্ৰাকৃতিক কাৰণ:

(ক) খৰাং বতৰ: ই মাটিৰ উৎপাদনশীলতাক প্ৰভাৱিত কৰাৰ লগতে উদ্ভিদৰ বৃদ্ধিত নেতিবাচক প্ৰভাৱ পেলোৱাৰ ফলত মৰুকৰণৰ প্ৰক্ৰিয়া সৃষ্টি হয়।

(খ) গোলকীয় উত্তাপ বৃদ্ধি: গোলকীয় উত্তাপ বৃদ্ধিৰ ফলত হোৱা উষ্ণতা বৃদ্ধিয়ে মৰুভূমিৰ পৰিৱেশ অধিক শুষ্ক কৰি তোলাত মৰুকৰণৰ প্ৰক্ৰিয়া অধিক ত্বৰান্বিত হৈছে।

(ii) মানৱ কাৰণ:

(ক) মানৱ কার্যকলাপ: মৰুকৰণ প্রক্রিয়াক উৎসাহিত কৰা মানৱ কার্যকলাপসমূহ হৈছে অত্যধিক পশুচাৰণ, কৃষিভূমিৰ সম্প্রসাৰণ আৰু নির্বনানীকৰণ।

(খ) জনসংখ্যা বৃদ্ধি: জনসংখ্যা বৃদ্ধিয়ে মৰুভূমি অঞ্চলসমূহত মানুহৰ হেঁচা বৃদ্ধি কৰিছে, যিটোৱে মৰুভূমিৰ সম্প্রসাৰণৰ সৃষ্টি কৰিছে।

২১। মৰুকৰণ সমস্যাৰ সমাধান সম্ভৱনে?



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- মৰুকৰণ ৰোধ কৰা এটা প্রত্যাহ্বানমূলক কার্য যদিও বনানীকৰণ , ৰাষুণৰ পানী সংৰক্ষণ , মাটিৰ ক্ষয়ীভৱন ৰোধকৰণ , কৃত্রিম জলসিঞ্চন ব্যৱস্থা, অর্ধ – শুকান অঞ্চললৈ জলসিঞ্চন সম্প্রসাৰণ আদিৰ দৰে ব্যৱস্থাসমূহৰ গ্রহণৰ দ্বাৰা মৰুকৰণ নিয়ন্ত্রণ কৰাটো সম্ভৱ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২২। গোলকীয় উত্তাপ বৃদ্ধি কি? ইয়াৰ কাৰকবোৰ উল্লেখ কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- বায়ুমণ্ডলত সেউজগৃহ গেছসমূহ বৃদ্ধি হোৱাৰ ফলত ভূপৃষ্ঠৰ তথা বায়ুমণ্ডলৰ উত্তাপ বৃদ্ধি হোৱাকে গোলকীয় উত্তাপ বৃদ্ধি হোৱা বুলি কোৱা হয়।

গোলকীয় উত্তাপ বৃদ্ধিৰ প্ৰধান কাৰকসমূহ হ'ল: সেউজগৃহ গেছসমূহৰ নিৰ্গমণ , কাৰ্বন ডাই – অক্সাইড (CO2) , মিথেন (CH4) , নাইট্ৰাছ অক্সাইড (N2O) , জলীয় বাষ্প আদিৰ দৰে গেছসমূহে ভূপৃষ্ঠৰ পৰা প্ৰতিফলিত সৌৰশক্তি

শোষণ কৰি বায়ুমণ্ডলীয় উষ্ণতা নিয়ন্ত্ৰণত ৰাখিব পাৰে। এনে গেছসমূহক সেউজগৃহ গেছ বোলে আৰু বায়ুমণ্ডলত এই গেছসমূহৰ উপস্থিতিৰ মুঠ পৰিমাণ কেৱল ০.১ শতাংশ। কিন্তু কোনো কাৰণত বায়ুমণ্ডলত এই অপকাৰী গেছসমূহৰ পৰিমাণ বৃদ্ধি পালে বা তাৰতম্য ঘটিলে বায়ুমণ্ডলীয় উষ্ণতা বৃদ্ধি হৈ গোলকীয় উত্তাপ বাঢ়ে। গোলকীয় উত্তাপ বৃদ্ধিৰ ক্ষেত্ৰত এই সকলোবোৰ সেউজগৃহ গেছৰ ভিতৰত কার্বন ডাই – অক্সাইড গেছৰ ভূমিকা সর্বাধিক হোৱা

দেখা যায়। তদুপৰি ঔদ্যোগিক বিপ্লৱৰ পিছৰে পৰা বিস্তৃত ৰূপত হোৱা জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ তথা বননী ধ্বংস কৰা আদিৰ দৰে মানুহৰ কার্যকলাপে গোলকীয় উত্তাপ বৃদ্ধিত অৰিহণা যোগাইছে কাৰণ ই বায়ুমণ্ডলত কার্বন ডাই – অক্সাইডৰ পৰিমাণ বৃদ্ধি কৰি বায়ুমণ্ডলীয় উত্তাপৰ বৃদ্ধি কৰিছে।

২৩। গোলকীয় উত্তাপ বৃদ্ধিয়ে কি ধৰণৰ সমস্যাৰ সৃষ্টি কৰিব লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- গোলকীয় উষ্ণতা বৃদ্ধিয়ে বহু ধৰণৰ সমস্যাৰ সৃষ্টি কৰে যেনে:

(i) বায়ুমণ্ডলীয় উষ্ণতা বৃদ্ধি: প্ৰাক-ঔদ্যোগিক বিপ্লৱৰ যুগৰ পৰা বৰ্তমানলৈ ভূপৃষ্ঠৰ গড় উত্তাপ প্ৰায় ০.৭৬ ° চেলছিয়াছ বৃদ্ধি হৈছে আৰু ভৱিষ্যতে ৫.৮ ° চেলছিয়াছলৈ বৃদ্ধি হ'ব বুলি অনুমান কৰা হৈছে।

(ii) মেৰুঅঞ্চলত বৰফৰ গলন: গোলকীয় উষ্ণতা বৃদ্ধিয়ে বায়ু মণ্ডলৰ ২-৩ ডিগ্ৰী চেলছিয়াছ উত্তাপ বৃদ্ধি পালে উত্তৰ মেৰু আৰু দক্ষিণ মেৰুৰ বৰফসমূহ গলিবলৈ আৰম্ভ কৰিব।

(iii) সাগৰপৃষ্ঠৰ উচ্চতা বৃদ্ধি: মেৰুদেশীয় বৰফৰ গলনে সাগৰপৃষ্ঠৰ উচ্চতা বৃদ্ধি কৰিব। সাগৰপৃষ্ঠত হোৱা এক মিটাৰ উচ্চতা বৃদ্ধিয়ে ৫ নিযুত বৰ্গ কিঃমিঃ উপকূলৱৰ্তী অঞ্চলৰ ভূমি জলমগ্ন হব।

(iv) উদ্ভিদ আৰু জীৱ – জন্তুৰ বিতৰণ তথা বৃদ্ধিত পৰিৱৰ্তন ঘটাব।

(v) শস্য উৎপাদন হ্রাস কৰিব।

(vi) মৰুকৰণ প্রক্রিয়াৰ সম্প্রসাৰণ ঘটাব।

২৪। গোলকীয় উত্তাপ বৃদ্ধি ৰোধ কৰাৰ উপায় কি?



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- গোলকীয় উত্তাপ বৃদ্ধি নিয়ন্ত্রণ কৰিবলৈ নিম্নলিখিত ব্যৱস্থাসমূহ গ্রহণ কৰিব লাগে:

(i) অপ্রয়োজনীয়ভাৱে গছ – গছনি কটা বন্ধ কৰা।

(ii) বর্ধিত জনসংখ্যাৰ হাৰ নিয়ন্ত্রণ কৰা।

(iii) কার্বন-ডাই-অক্সাইড আৰু ক্লৰ'ফ্লু'ৰ'কার্বন নির্গমন কম কৰা।

(iv) অনাৱশ্যকীয় বা অতিৰিক্ত উদ্যোগ যান-বাহনৰ চলাচল বন্ধ বা নিয়ন্ত্রণ কৰিব লাগিব।

(v) সৌৰশক্তি , বায়ুশক্তি , জৈৱশক্তি আদিৰ দৰে অপৰম্পৰাগত শক্তিৰ উৎসসমূহৰ ব্যৱহাৰ বৃদ্ধি কৰা।

(vi) গোলকীয় উষ্ণতা বৃদ্ধি ৰোধ কৰিবলৈ হ'লে বায়ুমণ্ডললৈ কার্বন নির্গমন ৰোধ নাইবা নিয়ন্ত্রণ কৰিব লাগিব।

২৫। তোমাৰ নিজৰ ঠাইখনত পৰিৱেশৰ কিবা সমস্যা আছেনে? যদি আছে তাৰ কাৰণ ব্যাখ্যা কৰা আৰু সমাধানৰ উপায় চিন্তা কৰি লিখা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-

১. নতুন উদ্যোগ স্থাপন

২. নতুন ৰাস্তা-ঘাট বনাবৰ কাৰণে গছ-গছনি কটা ।

৩. পাহাৰ খননৰ ফলত হোৱা পৰিবেশৰ ওপৰত পৰা প্ৰভাৱ

৪. নৈ-গৰা খহনীয়া আৰু ইয়াৰ প্ৰভাৱ ।

